# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : .............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.____________________________________
(In words)

| D | 3 | 6 | 1 | 2 |
|---|---|---|---|---|

Time : **1 1/4** hours] [Maximum Marks : **100**

| Number of Pages in this Booklet : **12** | Number of Questions in this Booklet : **50** |
|---|---|

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**

## ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৫০) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **দুই** (২) । উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ । সকলো প্ৰশ্নৰ উত্তৰ লিখিবা ।

তলৰ 1ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**1.** হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা উদ্ধাৰ কৰা একে পৰ্যায়ৰ গ্ৰন্থ কেইখনৰ মুঠ সংখ্যা :

(A) দুখন (B) চাৰিখন

(C) তিনিখন (D) পাঁচখন

**2.** বৌদ্ধ গান আৰু দোহাসমূহ কোন পন্থৰ ধৰ্মসাধনৰ গীত

(A) বজ্ৰযান (B) হীনযান

(C) মহাযান (D) সহজযান

**3.** ‘আৰু এক জগত-ঈশ্বৰ আজ্ঞা ধৰা
কথাবন্ধে একখণ্ড ভাগৱত কৰা’

এই কথাযাৰেৰে দামোদৰদেৱে তেওঁৰ কোন শিষ্যক আজ্ঞা দিছিল ?

(A) শঙ্কৰদেৱ (B) মাধৱদেৱ

(C) ভট্টদেৱ (D) অনন্ত কন্দলী

**4.** ‘ৰাম সৰস্বতীয়ে নিজকে কামৰূপৰ চমৰিয়া গাঁৱৰ গ্ৰামেশ্বৰ কবি-চূড়ামণিৰ দ্বিতীয় পুত্ৰ বুলি চিনাকি দিছে’; কবিয়ে নিজৰ পৰিচয় প্ৰদান কৰা মহাভাৰতৰ পৰ্বটো হ’ল :

(A) দ্ৰোণ পৰ্ব (B) ভীষ্ম পৰ্ব

(C) আদি পৰ্ব (D) সভা পৰ্ব

**5.** শঙ্কৰদেৱৰ ৰচিত গ্ৰন্থকেইখনৰ ভিতৰত কোনখন গ্ৰন্থ অসমীয়া ভাষাত ৰচিত নহয় :

(A) অনাদি পতন

(B) ভক্তি প্ৰদীপ

(C) নিমি-নৱসিদ্ধ-সংবাদ

(D) ভক্তি ৰত্নাকৰ

**6.** ‘গুণমালা’ পুথিখনত ব্যৱহৃত ছন্দটোৰ নাম :

(A) কুসুমমালা (B) ঝুমুৰ

(C) পদ (D) হ্ৰস্বপয়াৰ

**7.** কবিৰাজ চক্ৰৱৰ্তীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰাজবংশটো হ’ল :

(A) কোচ ৰাজবংশ

(B) আহোম ৰাজবংশ

(C) কছাৰী ৰাজবংশ

(D) চুতীয়া ৰাজবংশ

8. সূৰ্যকুমাৰ ভূঞাই তলৰ কোনখন বুৰঞ্জী সম্পাদনা কৰা নাই ?

(A) তুংখুঙীয়া বুৰঞ্জী

(B) পুৰণি অসম বুৰঞ্জী

(C) অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত আবিষ্কৃত)

(D) সাতসৰী অসম বুৰঞ্জী

9. দ্বিজৰামে অসমীয়া বৈষ্ণৱ কবিতাৰ আৰ্হিত ৰচনা কৰা প্ৰেমগাথা 'চাহাপৰী-উপাখ্যান'ৰ অন্য নাম হ'ল :

(A) মধুমালতী (B) মৃগাৱতী-চৰিত্ৰ

(C) মৃগাৱতী (D) মধুকৰ-মালতী

10. 'আৰিয়া' হ'ল :

(A) গৃহ নিৰ্মাণৰ সঁজুলি

(B) পোহৰ ব্যৱস্থাৰ আহিলা

(C) এবিধ মাছ

(D) এবিধ বস্ত্ৰ

11. 'গুমৰাগ' নৃত্যৰ উদ্দেশ্য হ'ল :

(A) উৰ্বৰা শক্তিৰ বৃদ্ধি

(B) দেৱ-দেৱীৰ সন্তুষ্টি

(C) মনোৰঞ্জন

(D) শস্যৰ অনিষ্টকাৰী পোক-পৰুৱাৰ বিনাশ

12. 'বাঁশ পূজা' উদ্‌যাপন কৰা অঞ্চলটো হ'ল :

(A) কামৰূপ (B) দৰং

(C) কাছাৰ (D) গোৱালপাৰা

13. 'দেওধনী' নৃত্যৰ লগত সম্পৰ্ক থকা পূজাভাগ হ'ল :

(A) দুৰ্গাপূজা (B) কালীপূজা

(C) মাৰৈ পূজা (D) শিৱপূজা

14. 'মাইহাং' কোন ভাষাৰ শব্দ ?

(A) খাচী (B) আহোম

(C) বড়ো (D) মিচিং

15. 'জাউৰি' প্ৰত্যয়টো হ'ল :

(A) বহুবচনাত্মক (B) নিৰ্দিষ্টতাবাচক

(C) অনিৰ্দিষ্টতাবাচক (D) সমূহবাচক

16. আধুনিক যুগত অসমীয়া অনুবাদ সাহিত্যৰ শুভাৰম্ভণি ঘটোৱা গ্ৰন্থখন হ'ল :

(A) নিউ টেস্টামেণ্ট

(B) অল্ড টেস্টামেণ্ট

(C) ফুলমণি ও করুণা

(D) জাত্ৰিকৰ জাত্ৰা

17. 'Comedy of Errors'ৰ 'ভ্ৰমৰঙ্গ' নামেৰে অসমীয়ালৈ অনুবাদ কৰা অনুবাদকৰ সংখ্যা হ'ল :

(A) দুজন (B) পাঁচজন

(C) চাৰিজন (D) তিনিজন

18. সাহিত্য অকাদেমিৰ অনুবাদ বঁটা পোৱা প্ৰথমজন অসমীয়া অনুবাদক :

(A) ৰাধিকা মোহন ভাগৱতী

(B) নিৰুপমা ফুকন

(C) শুচিব্ৰতা ৰায়চৌধুৰী

(D) নৰেন্দ্ৰনাথ শৰ্মা

**19.** 'অসমীয়া প্ৰাচীন লিপি' নামৰ গ্ৰন্থখনৰ ৰচক

(A) উপেন্দ্ৰনাথ গোস্বামী

(B) হেমচন্দ্ৰ গোস্বামী

(C) সৰ্বেশ্বৰ শৰ্মাকটকী

(D) মহেন্দ্ৰ বৰা

**20.** 'An Introduction to Assamese' গ্ৰন্থখনৰ ৰচক :

(A) গোলোকচন্দ্ৰ গোস্বামী

(B) উপেন্দ্ৰনাথ গোস্বামী

(C) কালিৰাম মেধি

(D) দেবেন্দ্ৰনাথ ভৰালী

তলৰ **21**-ৰ পৰা **25**-লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটোতে (1) আৰু (2) দুটাকৈ মন্তব্য দিয়া আছে আৰু মন্তব্য (2)ক মন্তব্য (1)ৰ কাৰণ হিচাপে ধৰা হৈছে । এই সম্পৰ্কে তলত (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া আছে । তাৰ ভিতৰৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিওৱা :

**21.** (1) লোকসাহিত্যৰ বিভিন্ন বিভাগসমূহৰ ভিতৰত সাঁথৰৰ উৎপত্তি শেহতীয়া ।

(2) সাঁথৰৰ ৰচনাৰ বাবে চিন্তা তথা কৌশল প্ৰয়োগৰ আৱশ্যক ।

(A) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)ৰ কাৰণ ।

(B) দুয়োটা মন্তব্যই শুদ্ধ কিন্তু মন্তব্য (2) মন্তব্য (1)ৰ কাৰণ নহয় ।

(C) মন্তব্য (1) শুদ্ধ মন্তব্য (2) অশুদ্ধ ।

(D) মন্তব্য (1) অশুদ্ধ মন্তব্য (2) শুদ্ধ ।

**22.** (1) শংকৰী যুগৰ অনুবাদ সাহিত্যই প্ৰচুৰ জনপ্ৰিয়তা আৰু দীৰ্ঘস্থায়ীত্ব লাভ কৰিলে ।

(2) সেই সময়ৰ অনুবাদসমূহ সংস্কৃতৰপৰা কৰা হৈছিল ।

(A) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)ৰ কাৰণ ।

(B) দুয়োটা মন্তব্যই শুদ্ধ কিন্তু মন্তব্য (2) মন্তব্য (1)ৰ কাৰণ নহয় ।

(C) মন্তব্য (1) শুদ্ধ কিন্তু মন্তব্য (2) অশুদ্ধ ।

(D) মন্তব্য (1) অশুদ্ধ কিন্তু মন্তব্য (2) শুদ্ধ ।

**23.** মধুৰিলা মধুকালে মধুকাল প্ৰিয়

কুহু কন্ঠে কুহু যথা !

(1) ইয়াত ছেকানুপ্ৰাস অলংকাৰৰ প্ৰয়োগ হৈছে ।

(2) একাধিক ব্যঞ্জনৰ মিল থকাৰ কাৰণে ইয়াত ছেকানুপ্ৰাস হৈছে ।

(A) দুয়োটা মন্তব্যই শুদ্ধ ।

(B) মন্তব্য (1) শুদ্ধ কিন্তু মন্তব্য (2) অশুদ্ধ ।

(C) মন্তব্য (1) অশুদ্ধ কিন্তু মন্তব্য (2) শুদ্ধ ।

(D) দুয়োটা মন্তব্যই অশুদ্ধ .

**24.** জিলিকা পাখিৰে হাঁহে / ৰবিৰ কিৰণ ।

জিলিকা পখিলা নাচি / ফুৰে অগণন ।।

(1) ইয়াত দুলড়ী ছন্দৰ প্ৰয়োগ ঘটিছে ।

(2) ইয়াত আঠটা আৰু ছটা আখৰত যতি পৰিছে আৰু শেষ আখৰৰ মিল আছে ।

(A) দুয়োটা মন্তব্যই শুদ্ধ ।

(B) মন্তব্য (1) অশুদ্ধ কিন্তু মন্তব্য (2) শুদ্ধ ।

(C) দুয়োটা মন্তব্যই অশুদ্ধ ।

(D) মন্তব্য (1) শুদ্ধ কিন্তু মন্তব্য (2) অশুদ্ধ ।

**25.** 'ঘূৰিল আকাশ যেন ঘূৰিল মেদিনী

সব অন্ধকাৰময় । পৰিল ভূতলে

হুয়া অচেতন ৰাণী । শাল বৃক্ষ জোপা

ছেদিলে পৰয় যেন অকস্মাৎ বনে ।'

(1) স্তৱকটিত কৰুণ ৰসৰ প্ৰকাশ ঘটিছে ।

(2) কাৰণ বনৰ শালবৃক্ষ এজোপা অকস্মাৎ মাটিত বাগৰি পৰিছে ।

(A) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)ৰ কাৰণ ।

(B) দুয়োটা মন্তব্যই অশুদ্ধ ।

(C) মন্তব্য (1) শুদ্ধ আৰু মন্তব্য (2) অশুদ্ধ ।

(D) দুয়োটা মন্তব্যই শুদ্ধ কিন্তু মন্তব্য (2) মন্তব্য (1)ৰ কাৰণ নহয় ।

তলৰ **26**ৰ পৰা **30-**লৈ থকা প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ প্ৰসঙ্গ দিয়া আছে আৰু উত্তৰ স্বৰূপে সেই প্ৰসঙ্গসমূহৰপৰা চাৰিটা বিকল্প জোঁট (Combination) (A), (B), (C), (D) দিয়া আছে । শুদ্ধ জোঁটটো বাচি উলিওৱা ।

**26.** লোকসাহিত্যৰ বিভিন্ন বিভাগসমূহৰ ভিতৰত গঠনৰীতিৰ মিল থকা বিভাগ দুটা হ'ল :

(I) প্ৰবাদ (II) লোকগীত

(III) সাঁথৰ (IV) সাধুকথা

(A) (I) আৰু (IV)

(B) (II) আৰু (III)

(C) (II) আৰু (IV)

(D) (I) আৰু (III)

**27.** তলত দিয়া উৎসৱসমূহৰ ভিতৰত কৃষিৰ লগত জড়িত নোহোৱা উৎসৱ দুটা হ'ল :

(I) নেপালী সকলৰ 'তিহাৰ'

(II) কাৰ্বিসকলৰ 'হাচা কেকান'

(III) অভিবাসী মুছলমানসকলৰ 'পুষুৰা'

(IV) চাহ জনগোষ্ঠীৰ 'কৰম'

(A) (I) আৰু (III)

(B) (II) আৰু (IV)

(C) (III) আৰু (IV)

(D) (I) আৰু (II)

**28.** নাটক এখনৰ অভিনয়ত সাধাৰণতে নিহিত হৈ থকা গুণ দুটা হ'ল :

(I) দৃশ্য (II) শ্ৰব্য

(III) কথ্য (IV) পাঠ্য

(A) (I) আৰু (IV)

(B) (I) আৰু (II)

(C) (II) আৰু (III)

(D) (IV) আৰু (III)

**29.** একেধাৰে উপন্যাস আৰু লোকসংস্কৃতিৰ গৱেষণাত সিদ্ধহস্ত দুজন লেখক :

(I) বিৰিঞ্চিকুমাৰ বৰুৱা

(II) নবীনচন্দ্ৰ শৰ্মা

(III) প্ৰফুল্লদত্ত গোস্বামী

(IV) বীৰেন্দ্ৰ কুমাৰ দত্ত

(A) (I) আৰু (II)

(B) (II) আৰু (IV)

(C) (I) আৰু (III)

(D) (III) আৰু (IV)

**30.** একেধাৰে ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত সিদ্ধহস্ত দুজন লেখক :

(I) বিৰিঞ্চি কুমাৰ বৰুৱা

(II) উপেন্দ্ৰনাথ গোস্বামী

(III) গোলোকচন্দ্ৰ গোস্বামী

(IV) কালিৰাম মেধি

(A) (I) আৰু (II)

(B) (II) আৰু (III)

(C) (I) আৰু (IV)

(D) (III) আৰু (IV)

**31-**ৰ পৰা **40**-লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**31.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. জনচন | i. Poetry is 'Criticism of life' |
| b. মেথিউ আৰ্নল্ড | ii. Poetry is 'Expression of imagination.' |
| c. ছেলী | iii. Poetry is 'Musical Thought.' |
| d. কাৰ্লাইল | iv. Poetry is 'Metrical Composition' |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | iii | i |
| (B) | i | iv | ii | iii |
| (C) | iv | i | ii | iii |
| (D) | ii | iii | i | iv |

**32.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. অগৰু | i. এবিধ বস্ত্ৰ |
| b. অ'ৰি | ii. এবিধ অলংকাৰ |
| c. অনাকটা | iii. এবিধ গছ |
| d. অৰ্ধচন্দ্ৰ | iv. এবিধ লোক অনুষ্ঠান |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iii | ii | iv |
| (B) | iv | i | iii | ii |
| (C) | iii | iv | i | ii |
| (D) | ii | iii | iv | i |

33. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | ভাষাবিজ্ঞান | i. | ৰমেশ পাঠক |
| b. | ভাষাবিজ্ঞানৰ ভূমিকা | ii. | ফনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা |
| c. | উপভাষা বিজ্ঞান | iii. | উপেন্দ্ৰনাথ গোস্বামী |
| d. | আধুনিক ভাষাবিজ্ঞান পৰিচয় | iv. | দীপঙ্কৰ মৰল |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iii | i | iv | ii |
| (C) | ii | iii | i | iv |
| (D) | iv | i | ii | iii |

34. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | খৰাঁ শিয়ালৰ বিয়া | i. | ডিম্বেশ্বৰ চলিহা |
| b. | শিয়ালী পালেগৈ ৰতনপুৰ | ii. | প্ৰেমধৰ দত্ত |
| c. | শিয়ালৰ শিং | iii. | লীলা গগৈ |
| d. | শিয়াল পণ্ডিত | iv. | নৰকান্ত বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iv | iii |
| (B) | ii | i | iii | iv |
| (C) | iv | iii | i | ii |
| (D) | iii | iv | ii | i |

35. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | টাংচা | i. | নগালেণ্ড |
| b. | জয়ন্তীয়া | ii. | অৰুণাচল |
| c. | লোথা | iii. | চিকিম |
| d. | লেপ্চা | iv. | মেঘালয় |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | iv | ii | iii | i |
| (C) | ii | iv | i | iii |
| (D) | i | iii | iv | ii |

36. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | ৰোৱন | i. | বিশেষণ |
| b. | পুৰতী | ii. | অসমাপিকা |
| c. | ৰাখোঁতা | iii. | বিশেষ্য |
| d. | ক'লত | iv. | কৃদন্ত |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | ii | iv | iii | i |
| (C) | iv | ii | i | iii |
| (D) | i | iii | ii | iv |

37. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | ঘটং-মটং | i. | পূৰ্বসৰ্গ |
| b. | যথা | ii. | অকৰ্মক ধাতু |
| c. | ফাট | iii. | নিৰ্দিষ্টবাচকতা |
| d. | পালি | iv. | ধ্বন্যাত্মক শব্দ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | iv | i |
| (B) | iv | i | ii | iii |
| (C) | ii | iii | i | iv |
| (D) | i | iv | iii | ii |

**38.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. লক্ষ্মীনাথ বেজবৰুৱা | i. জীৱন বীণাৰ সুৰ |
| b. পদ্মনাথ গোহাঞিবৰুৱা | ii. জীৱন স্মৃতি |
| c. পদ্মধৰ চলিহা | iii. মোৰ জীৱন সোঁৱৰণ |
| d. লক্ষ্মীধৰ শৰ্মা | iv. মোৰ সোঁৱৰণী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | iv | iii | ii | i |
| (C) | iii | iv | i | ii |
| (D) | i | ii | iii | iv |

**39.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য | i. নীলমণি ফুকন |
| b. কাঁইট গোলাপ আৰু কাঁইট | ii. নৱকান্ত বৰুৱা |
| c. মাটিৰ স্বপ্ন | iii. অজিত বৰুৱা |
| d. ৰত্নাকৰ | iv. ৰাম গগৈ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iii | ii | iv |
| (B) | ii | iv | iii | i |
| (C) | iii | i | iv | ii |
| (D) | iv | ii | i | iii |

**40.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. বৃত্তৰ মাজত দুখ | i. ভবেন্দ্ৰনাথ শইকীয়া |
| b. বৰ্ণবোধ | ii. সৌৰভ কুমাৰ চলিহা |
| c. মাছ আৰু মানুহ | iii. নগেন শইকীয়া |
| d. এহাত ডবা | iv. মহিম বৰা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | iii | i |
| (B) | ii | iii | i | iv |
| (C) | i | iv | ii | iii |
| (D) | iii | i | iv | ii |

তলৰ 41-ৰ পৰা 45-লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ থকা আলোচনী / লেখক / গ্ৰন্থ আদিক ঐতিহাসিক ক্ৰমত তালিকাবদ্ধ কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া আছে । তাৰ মাজৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা :

**41.** (I) আমাৰ প্ৰতিনিধি

(II) মণিদীপ

(III) ৰামধেনু

(IV) নতুন পৃথিৱী

(A) (I) (III) (IV) (II)

(B) (III) (I) (II) (IV)

(C) (IV) (II) (I) (III)

(D) (II) (IV) (III) (I)

42. (I) ত্ৰৈলোক্যনাথ গোস্বামী

(II) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

(III) হোমেন বৰগোহাঞি

(IV) প্ৰফুল্লদত্ত গোস্বামী

(A) (II) (III) (IV) (I)
(B) (I) (IV) (II) (III)
(C) (III) (II) (I) (IV)
(D) (IV) (I) (III) (II)

43. (I) নিমিলা অংক

(II) শতিকাৰ বান

(III) নিবাৰণ ভট্টাচাৰ্য

(IV) বাঘ

(A) (I) (II) (IV) (III)
(B) (III) (IV) (II) (I)
(C) (IV) (III) (I) (II)
(D) (II) (I) (III) (IV)

44. (I) অসমীয়া অভিধান

(II) চলন্ত অভিধান

(III) চন্দ্ৰকান্ত অভিধান

(IV) আধুনিক অসমীয়া শব্দকোষ

(A) (III) (I) (IV) (II)
(B) (II) (III) (I) (IV)
(C) (I) (IV) (II) (III)
(D) (IV) (II) (III) (I)

45. (I) অসমীয়া ব্যাকৰণ জ্যোতি

(II) অসমীয়া ভাষাৰ ব্যাকৰণ

(III) অসমীয়া গোলোক ব্যাকৰণ

(IV) অসমীয়া ব্যাকৰণৰ ৰূপৰেখা

(A) (II) (IV) (III) (I)
(B) (IV) (II) (I) (III)
(C) (III) (I) (II) (IV)
(D) (I) (III) (IV) (II)

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া **46**-ৰ পৰা **50**-লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C) আৰু (D)ৰ মাজৰ পৰা বাছি উলিওৱা ।

"জাতি" এক বিশেষ জনগোষ্ঠী নহয় । পুঁজিবাদী আধুনিক অৰ্থনীতিৰ বিকাশ আৰু প্ৰসাৰৰ ফলত বিভিন্ন জনগোষ্ঠী, বিভিন্ন ধৰ্ম আৰু ভাষাৰ লোকৰ মাজত সমিলমিল হৈ জাতি গঠন কৰে । নিজৰ গোষ্ঠীগত পৰিচয় লুপ্ত হ'বলৈ দিয়া সকলে জাতীয় পৰিচয়ৰ মাজেদি এক বহল সত্তাৰ অংশীদাৰ হয় আৰু শিক্ষা-সংস্কৃতি আৰু জীৱিকাৰ্জনৰ ক্ষেত্ৰত আধুনিক যুগৰ উপযোগী সা-সুবিধা লাভ কৰে । শিক্ষা ব্যৱস্থা ৰাষ্ট্ৰৰ (বা চৰকাৰৰ) কৰ্তৃত্বত ব্যাপক আৰু জনমুখী হৈ পৰে, এমুঠি মানুহৰ মাজত আবদ্ধ নাথাকে । শিক্ষাৰ জৰিয়তে অৰ্থনৈতিক উন্নতিৰ সুযোগ পোৱা যায় । সেয়ে জাতীয় পৰিচয়ৰ প্ৰতি সাধাৰণ মানুহ আকৃষ্ট হয় ।

এই মতাদৰ্শৰ তথা আশা-আকাংক্ষাৰ প্ৰভাৱত অসমৰ নানা জনগোষ্ঠীয়ে মিলি অসমীয়া জাতি গঠনত সহযোগিতা কৰিছিল । আহোম-কোঁচ-চুটীয়া-ৰাভা-মিছিং-বড়ো আদি জনগোষ্ঠীৰো বহু লোক এই জাতিগঠনৰ উৎসাহী অংশীদাৰ আছিল । কিন্তু স্বাধীনতাৰ দুটা দশক পিছত তেওঁলোকে বোধ কৰিলে যে স্বেচ্ছাকৃত ভাবে নিজৰ পৰিচয় লুপ্ত কৰি অসমীয়া মূলসুঁতিত জীন গৈ তেওঁলোক আশাকৰা মতে লাভবান হোৱা নাই । উন্নয়ণপৰা যিখিনি উপকাৰ হৈছে তাৰ সিংহভাগ দখল কৰিছে বৰ্ণহিন্দু অসমীয়াই । সমাজৰ সকলো ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিপত্তি–তাকেই তেওঁলোকে স্বাভাৱিক বুলি ধৰি লৈছে । আনহাতে সা-সুবিধাৰ অভাৱত বঞ্চিত আৰু প্ৰৱঞ্চিত জনগোষ্ঠীৰ লোকসকলৰ সৰহভাগ তলত পৰি আছে ।

কোনো জনগোষ্ঠীয়ে পৰম্পৰাগত সংস্কৃতিৰ মাজত আৱদ্ধ থাকি আধুনিক প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে । গোষ্ঠী, ভাষা, ধৰ্ম নিৰ্বিশেষে সকলো মানুহ সমান; অথবা বেলেগ জাতিৰ বা গোষ্ঠীৰ মূল্যবান ৰীতি-নীতি বা বস্তু বিনাদ্বিধাই গ্ৰহণ কৰিব লাগে; এনেবোৰ শিক্ষা জনগোষ্ঠীয় সংস্কৃতিৰ মাজত থাকি পোৱা নাযায় । তেনে শিক্ষা অবিহনে প্ৰগতিও অসম্ভৱ । সেয়ে স্বচ্ছল, শিক্ষিত চামৰ মানুহে বাহিৰত নিজা জনগোষ্ঠীৰ প্ৰতি উপৰুৱা অনুৰাগ প্ৰদৰ্শন কৰি আচলতে ইংৰাজী ভাষা আৰু পশ্চিমীয়া কৃষ্টি গ্ৰহণ কৰে । এওঁলোকক ভাৰতীয় ক্ষমতাশালী আৰু সুবিধাভোগী শ্ৰেণীটোৱে নানা সুবিধা দি হাত কৰে, নিজ গোষ্ঠীৰ দৰিদ্ৰ মানুহচামৰপৰা তেওঁলোক ক্ৰমে বিচ্ছিন্ন হৈ পৰে । জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় কিছু পৰিমাণে সুৰক্ষিত হোৱাৰ বাহিৰে আন্দোলনটোৰ আন বিশেষ ফল নহ'বও পাৰে ।

অৰ্থাৎ বৃহৎসংখ্যক শ্ৰমজীৱী জনগণক যি ব্যৱস্থাই সহায় কৰিব পাৰে, সকাহ দিব পাৰে, তেনে ব্যৱস্থাৰ বাহিৰে জনগোষ্ঠীগত সমস্যাৰ আন সাৰ্থক সমাধান নাই । বিভিন্ন জনগোষ্ঠীৰ সহযোগিতা আৰু মিলন অবিহনে তেনে ব্যৱস্থা প্ৰৱৰ্তন কৰা নাযায় । হয়তো জাতীয় পৰিচয়ে তেনে সহযোগিতা আৰু মিলন আৰু সুনিশ্চিত নকৰে । তাৰ ঠাইত এচাম লোক বা একোটা গোষ্ঠীৰহে প্ৰাধান্য হয় । কিন্তু সেই ব্যৱস্থা বাদ দিও বিভিন্ন জনগোষ্ঠীৰ ঐক্য, মিলন, সহযোগিতাৰ আন কিবা বিকল্প ব্যৱস্থা কৰিবই লাগিব । জনগোষ্ঠীগত চিন্তাৰ উপৰিও গনতান্ত্ৰিক, সমাজবাদী চিন্তাৰ ব্যৱস্থা কৰিবই লাগিব ।

**46.** জাতীয় পৰিচয়ৰ প্ৰতি সাধাৰণ মানুহ আকৃষ্ট হোৱাৰ কাৰণ হ'ল :

(A) ইয়াৰ যোগেদি তেওঁলোক বহল সত্তাৰ অংশীদাৰ হ'ব পাৰে ।

(B) ইয়াৰ যোগেদি তেওঁলোকে শিক্ষা-সংস্কৃতি-অৰ্থনীতিৰ ক্ষেত্ৰত সা-সুবিধা লাভ কৰে ।

(C) ইয়াৰ যোগেদি বিভিন্ন ধৰ্ম আৰু ভাষাৰ সমিলমিল সম্ভৱ হয় ।

(D) ইয়াৰ যোগেদি তেওঁলোকে এমুঠি মানুহৰ মাজত সীমাবদ্ধ হোৱাৰ ঠাইত জনমুখী হোৱাৰ সুযোগ লাভ কৰে ।

**47.** জনগোষ্ঠীয় লোকসকলৰ সৰহভাগেই বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈ থকাৰ কাৰণ হ'ল :

(A) জনগোষ্ঠীয় সমাজত বৰ্ণহিন্দুসকলে প্ৰতিপত্তি লাভ কৰিছে ।

(B) জনগোষ্ঠীয় লোকসকল নিজৰ পৰিচয় লুপ্ত কৰি অসমীয়া মূলসুঁতিত মিলি গৈছে ।

(C) জনগোষ্ঠীয় লোকসকলৰ প্ৰাপ্যৰ অধিকাংশ বৰ্ণহিন্দু সকলে লাভ কৰিছে ।

(D) জনগোষ্ঠীয় লোকসকল জাতিগঠনৰ উৎসাহী অংশীদাৰ হৈ পৰিছে ।

**48.** কোনো এক জনগোষ্ঠীয়ে আধুনিক প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰাৰ কাৰণ হ'ল :

(A) জনগোষ্ঠীয় লোকসকলে ভাষা-ধৰ্ম নিৰ্বিশেষে সকলোকে সমান দৃষ্টিৰে গ্ৰহণ কৰিব নোৱাৰে ।

(B) জনগোষ্ঠীয় লোকসকলে বিনাদ্বিধাই মূল্যবান ৰীতি-নীতি গ্ৰহণ নকৰে ।

(C) জনগোষ্ঠীয় লোকসকলে জাতি-সংস্কৃতিৰ সংমিশ্ৰণ নিবিচাৰে ।

(D) জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতি পৰিহাৰ নকৰে আৰু তেওঁলোক অন্যৰ সংস্কৃতি গ্ৰহণৰ বাবেও ইচ্ছুক নহয় ।

**49.** বিভিন্ন জনগোষ্ঠীৰ শিক্ষিতচামে ইংৰাজী ভাষা আৰু পশ্চিমীয়া কৃষ্টি গ্ৰহণ কৰাৰ কাৰণ হ'ল :

(A) ইংৰাজী ভাষা আৰু পশ্চিমীয়া কৃষ্টিৰে জনগোষ্ঠী সমূহৰ ভাষাৰ উন্নতিত সহায় হ'ব বুলি ভাবে ।

(B) ইংৰাজী ভাষা আৰু পশ্চিমীয়া কৃষ্টিৰ গ্ৰহণে জনগোষ্ঠীয় লোকসকলৰ প্ৰগতি সম্ভৱ হ'ব বুলি তেওঁলোকে ভাবে ।

(C) ইংৰাজী ভাষা আৰু পশ্চিমীয়া কৃষ্টিৰ জনগোষ্ঠীয় লোকসকল ক্ষমতাশালী হোৱাত সহায় হ'ব বুলি ভাবে ।

(D) ইংৰাজী ভাষা আৰু পশ্চিমীয়া কৃষ্টিৰ দ্বাৰা জনগোষ্ঠীয় লোকসকল দৰিদ্ৰচামৰপৰা আঁতৰি আহি নিজকে প্ৰতিপত্তিশালী বুলি চিনাকি দিব পাৰিব বুলি ভাবে ।

**50.** জনগোষ্ঠীয় লোকসকলৰ সমস্যাসমূহৰ সাৰ্থক সমাধানৰ পথ হ'ল :

(A) জনগোষ্ঠীসমূহৰ মাজত ঐক্য, মিলন আৰু সহযোগিতাৰ সুনিশ্চিতকৰণ ।

(B) জনগোষ্ঠীসমূহৰ মাজত গণতান্ত্ৰিক আৰু সমাজবাদী চিন্তাৰ জনপ্ৰিয়কৰণ ।

(C) বিভিন্ন জনগোষ্ঠীৰ শ্ৰমজীৱী জনগণক সহায় কৰা অথবা সকাহ দিব পৰা ব্যৱস্থা প্ৰবৰ্তন ।

(D) জনগোষ্ঠীসমূহৰ মাজত মিলন আৰু সহযোগিতা স্থাপন ।

**Space For Rough Work**